**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 3-11-2024
**Time :** 07-55 Hrs

***<u>Assamese Morning Bulletin</u>***
***::::::::::::::::::::::::::::::::::::::::::::***

অসমীয়াৰ লগতে ৰাজ্যৰ অন্যান্য জনগোষ্ঠীয় ভাষা আৰু বৰ্ণিল সংস্কৃতিৰ প্ৰচাৰ তথা প্ৰসাৰৰ উদ্দেশ্যে ৰাজ্য চৰকাৰৰ উদ্যোগত আজিৰ পৰা ৯ নৱেম্বৰলৈকে ভাষা গৌৰৱ সপ্তাহ উদ্‌যাপন কৰা হ'ব। অসমীয়া ভাষাই লাভ কৰা ধ্ৰুপদী ভাষাৰ বিৰল স্বীকৃতিক প্ৰতিজন অসমীয়াৰ ওচৰলৈ নিয়াৰ লক্ষ্যৰে প্ৰথমবাৰৰ বাবে এই কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। চতুৰ্থ শতিকাৰ পৰা পৰ্যায়ক্ৰমে অসমীয়া ভাষা সাহিত্যলৈ বৰঙণি যোগোৱা মনিষী, পণ্ডিত আৰু ভাষাবিদসকললৈ কৃতজ্ঞতা জ্ঞাপনৰ লগতে ভাষা গৌৰৱ সপ্তাহৰ বিভিন্ন কাৰ্যসূচীৰ অধীনত প্ৰকাশন পৰিষদে প্ৰকাশ কৰা **ধ্ৰুপদী অসমীয়া** শীৰ্ষক গ্ৰন্থ নাগৰিকৰ মাজত বিতৰণ কৰা হ'ব। লগতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীলৈ এক লাখ নাগৰিকৰ জৰিয়তে কৃতজ্ঞতাসূচক পত্ৰ প্ৰেৰণ কৰাৰ উপৰি অসমীয়াকে ধৰি ৰাজ্যৰ ১৪টা ভাষাত শৈক্ষিক প্ৰতিযোগিতা অনুষ্ঠিত হ'ব।

গুৱাহাটীত আজি ভাষা গৌৰৱ সপ্তাহ উদ্‌যাপনৰ উদ্বোধনী অনুষ্ঠানত কৃষি মন্ত্ৰী অতুল বৰাই মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব। ৰাজ্য চৰকাৰৰ আন আন মন্ত্ৰীসকল বিভিন্ন জিলাৰ উদ্বোধনী অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। কাৰ্বি আংলং জিলাতো ভাষা গৌৰৱ সপ্তাহ উদ্‌যাপনৰ বাবে প্ৰস্তুতি সম্পূৰ্ণ হৈছে। ডিফুৰ চাৰ্চিং টেৰণ লাংকুং হাবে মেম'ৰিয়েল টাউন হলত আজি অনুষ্ঠিত হ'বলগীয়া উদ্বোধনী কাৰ্যসূচীত কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাং, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ৰংবং টেৰাঙকে ধৰি কেইবাগৰাকী লেখক, সাহিত্যিক উপস্থিত থাকিব। ইপিনে, মৰিগাঁৱত আজি ভাষা গৌৰৱ সপ্তাহৰ উদ্বোধনী কাৰ্যসূচীত মৰিগাঁও বিধানসভা সমষ্টিৰ বিধায়ক তথা ভৈয়াম জনজাতি উন্নয়ন নিগমৰ অধ্যক্ষ ৰমাকান্ত দেউৰী মুখ্য অতিথিৰূপে উপস্থিত থাকিব।

আনহাতে অসমীয়া ভাষাক ধ্ৰুপদী ভাষাৰ মৰ্যাদা দিয়াৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক কৃতজ্ঞতা জ্ঞাপন কৰিবলৈ কালি বিয়লি কৰিমগঞ্জ জিলা পুথিভঁৰালত ভাষা গৌৰৱ সপ্তাহ উপলক্ষে এখন আলোচনা সভা অনুষ্ঠিত হ'ব। একেদৰে শিৱসাগৰৰ যুৱদল প্ৰেক্ষাগৃহত এই কাৰ্যসূচীৰ প্ৰথমটো অনুষ্ঠান আজি অনুষ্ঠিত হ'ব।

০০০০০০০

ৰাজ্য চৰকাৰে মাজুলীৰ প্ৰতিখন ৰাস সমিতিলৈ পুনৰ ৫০ হাজাৰ টকাকৈ অতিৰিক্ত আৰ্থিক সাহায্য আগবঢ়াব। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কালি সামাজিক মাধ্যম এক্স যোগে এই বিষয়ে প্ৰকাশ কৰি কয় যে, প্ৰতিখন ৰাস সমিতিলৈ চৰকাৰে আগবঢ়াব খোজা ২৫ হাজাৰ টকাৰ আৰ্থিক সাহায্যৰ সৈতে এই ধনৰাশি যোগ হ'ব। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে, মাজুলীৰ ৰাস উৎসৱ অসমৰ ভাবনা আৰু সাংস্কৃতিক সত্তা উদযাপনৰ

মূৰ্তৰূপ। অসমৰ বৰ্ণাঢ্য ঐতিহ্য আৰু পৰম্পৰা সাৰ্থক ৰূপত তুলি ধৰাৰ বাবে চৰকাৰে আৰ্থিক সাহায্য আগবঢ়োৱাৰ বিষয়ে মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে।

ইপিনে ৰাজ্যৰ বিভিন্ন ঠাইত শৰৎ পূৰ্ণিমা উপলক্ষে ৰাসৰ আয়োজন কৰা হৈছে। মাজুলীৰ বিভিন্ন সত্ৰ আৰু নামঘৰসমূহত ভক্তিপ্ৰাণ বৈষ্ণৱ সমাজে শ্ৰীকৃষ্ণৰ শিশুলীলা আৰু ৰাসলীলাৰ আখৰা অব্যাহত ৰাখিছে। জিলাখনত সৰ্বমুঠ ৬৫ খন ৰাস প্ৰদৰ্শনৰ আয়োজন কৰা হৈছে।

ইফালে, নামনি অসমতো পলাশবাৰী, মিৰ্জা, ৰামপুৰ, ছয়গাঁও, নলবাৰী, টিহু, মাখিবাহা, শুৱালকুছি ইত্যাদি ঠাইত পুতলা ৰাসৰ আয়োজন কৰা হৈছে।

০০০০০০০

জাহাজ পৰিবহণ, বন্দৰ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে তেওঁৰ ডিব্ৰুগড়ৰ বাসগৃহত কালি ১৩ বছৰ অনূৰ্ধৰ অল ইণ্ডিয়া ছাব জুনিয়ৰ ৰেংকিং বেডমিণ্টন প্ৰতিযোগিতাত শ্ৰেষ্ঠত্ব প্ৰদৰ্শন কৰা অসমৰ খেলুৱৈসকলক সম্বৰ্ধনা জ্ঞাপন কৰে। ডিব্ৰুগড় জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত যোৱা ২৫ৰ পৰা ৩০ অক্টোবৰলৈ অনুষ্ঠিত এই প্ৰতিযোগিতাত অসমৰ খেলুৱৈসকলে উন্নত প্ৰদৰ্শন কৰিছিল। মন্ত্ৰীগৰাকীয়ে কয় যে, খেলুৱৈসকলে অনাগত দিনতো ন-উদ্যমেৰে আৰু উৎকৃষ্ট প্ৰদৰ্শনেৰে জিলিকি উঠি ৰাজ্যখনৰ ক্ৰীড়া জগতৰ সুনাম বৃদ্ধি কৰিব বুলি আমি দৃঢ় বিশ্বাসী। অসমত বিগত এটা দশকত ক্ৰীড়াক্ষেত্ৰত নৱজাগৰণৰ সূচনা কৰাৰ লগতে ৰাজ্যখনৰ তৃণমূল পৰ্যায়ৰ পৰাই ন-ন ক্ৰীড়া প্ৰতিভা গঢ় লৈছে বুলি কেন্দ্ৰীয়মন্ত্ৰীগৰাকীয়ে মত প্ৰকাশ কৰে। ভৱিষ্যতে অসমে দেশৰ ক্ৰীড়া মানচিত্ৰত নতুন ৰূপত জিলিকি উঠিব লাগিব বুলি তেওঁ মন্তব্য কৰে।

০০০০০০০

নিউজিলেণ্ডে ভাৰতৰ বিৰুদ্ধে মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত অনুষ্ঠিত তিনিখনীয়া টেষ্ট ক্ৰিকেট শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেলৰ আজি তৃতীয় দিনা ৯ উইকেটৰ বিনিময়ত কালি সংগ্ৰহ কৰা ১৭১ ৰাণৰ পৰা দ্বিতীয় ইনিংছ আৰম্ভ কৰিব। নিউজিলেণ্ড হাতত এটা উইকেট বাকী থকা অৱস্থাত ভাৰতত্তকৈ সামগ্ৰিকভাৱে ১৪৩ ৰাণত আগবাঢ়ি আছে। ভাৰতৰ হৈ দ্বিতীয় ইনিংছত ৰবীন্দ্ৰ জাদেজাই চাৰিটা আৰু ৰবিচন্দ্ৰন অশ্বিনে তিনিটা উইকেট দখল কৰে। ৱাশ্বিংটন সুন্দৰ আৰু আকাশদীপে এটাকৈ উইকেট লাভ কৰে। ইয়াৰ পূৰ্বে ভাৰতে কালি শুভমন গীলৰ আকৰ্ষণীয় ৯০ আৰু ঋষভ পণ্টৰ ৬০ ৰাণৰ সহায়ত প্ৰথম ইনিংছত ২৬৩ ৰাণ সংগ্ৰহ কৰে আৰু নিউজিলেণ্ডৰ প্ৰথম ইনিংছতকৈ ২৮ ৰাণৰ অগ্ৰগতি লাভ কৰে। গীল আৰু ঋষভ পণ্টে ১১৪ টা বলত ৯৬ ৰাণ সংগ্ৰহ কৰি দলৰ স্থিতি শক্তিশালী কৰে। ৱাশ্বিংটন সুন্দৰে ৩৬টা বলত ৩৮ ৰাণ সংগ্ৰহ কৰি আউট নোহোৱাকৈ থাকে। আলহী দলটোৰ হৈ এজাজ পেটেলে ৫টা উইকেট লাভ কৰে।

০০০০০০০

**সমাপ্ত**